জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৫৬/২০২১

## নিমাতীঘাটৰ ওচৰত সংঘটিত হোৱা নাও দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

# মাজুলীত উপস্থিত হৈ স্থানীয় সংগঠনসমূহৰ লগত মত-বিনিময় মুখ্যমন্ত্ৰীৰ

## ৰাজ্য চৰকাৰে কালি সংঘটিত হোৱা নাও দুৰ্ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট জিলাৰ নিমাতীঘাটৰ ওচৰত কালি সংঘটিত হোৱা নাও দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে আৰু এন ডি আৰ এফ তথা এছ ডি আৰ এফে চলোৱা উদ্ধাৰ কাৰ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এখন যন্ত্ৰচালিত নাৱত উঠি প্ৰায় ৪৫ মিনিট সময় ধৰি উদ্ধাৰ অভিযান পৰ্যবেক্ষণ কৰে।

দুৰ্ঘটনাস্থলী পৰিদৰ্শনৰ পিছতে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে নাও দুৰ্ঘটনা সম্পৰ্কত যোৰহাট জিলা প্ৰশাসনক এটা ফৌজদাৰী গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তেওঁ লগতে কয় যে আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ তিনিগৰাকী বিষয়াক ইতিমধ্যে নিলম্বিত কৰা হৈছে। ৰাজ্য চৰকাৰে এই দুৰ্ঘটনা সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্ত কৰিব বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰে পৰা মেৰিন ইঞ্জিন নথকা সকলো ব্যক্তিগত ফেৰী সেৱা বন্ধ কৰা হ'ব। ব্যক্তিগত খণ্ডৰ ফেৰীসমূহৰ গৰাকীসকলে একক ইঞ্জিনক মেৰিন ইঞ্জিনলৈ পৰিৱৰ্তন কৰিব বিচাৰিলে ৭৫ শতাংশ ৰাজ সাহায্যৰে ৰাজ্য চৰকাৰে ১০ লাখ টকাকৈ আগবঢ়াব। তেওঁ লগতে জনায় যে এতিয়াৰে পৰা ৪ খন আভ্যন্তৰীণ জল পৰিবহনৰ ফেৰী কমলাবাৰী আৰু নিমাতীঘাটত চলাচলৰ ব্যৱস্থা কৰা হ'ব আৰু অতিশীঘ্ৰে দুখন ফেৰী মাজুলীলৈ প্ৰেৰণ কৰা হ'ব। এই ফেৰী সেৱাৰ উপৰি দুখন ৰোপেক্সৰ সেৱা কাৰ্যক্ষম কৰা হ'ব। তেওঁ লগতে কয় যে সমগ্ৰ বছৰ জুৰি যাতে ৰোপেক্স সেৱা অব্যাহত ৰাখিব পৰা যায় সেয়া ৰাজ্য চৰকাৰে সুনিশ্চিত কৰিব। কমলাবাৰী আৰু নিমাতীঘাটৰ মাজত এই সেৱা অব্যাহত ৰখাৰ বাবে ব্ৰহ্মপুত্ৰৰ বুকু খনন কৰি এই জলপথছোৱা এই জাহাজ চলাচল কৰাৰ বাবে উপযোগী কৰি ৰখা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে যোৰহাট আৰু মাজুলী জিলাৰ উপায়ুক্তই ফেৰী সেৱাৰ সময়সমূহ পুনৰ নিৰ্দ্ধাৰণ কৰিব। মাজুলী জিলাৰ এগৰাকী আৰু যোৰহাটৰ এগৰাকী দণ্ডাধীশে সময়মতে ফেৰী সেৱা সুনিশ্চিত কৰাৰ দিশটো পৰ্যবেক্ষণ কৰিব বুলিও তেওঁ কয়। ৰাজ্য চৰকাৰে এই নাওসমূহত কাম কৰা লোকসকলৰ বাবে স্বাস্থ্য পৰীক্ষাৰ বাবে নিৰ্দ্ধাৰিত বিধি-বিধান প্ৰস্তুত কৰিব।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

যোৰহাট আৰু মাজুলী সংযোগী দলং নিৰ্মাণৰ সাম্প্ৰতিক স্থিতিৰ বিষয়ে সদৰি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ যাৱতীয় পদক্ষেপ চলি আছে আৰু অহা নৰেশ্বৰ মাহৰ পৰা এই দলঙৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব। এই দলংখন ৪ বছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি উল্লেখ কৰি তেওঁ কয় যে দলং নিৰ্মাণৰ অগ্ৰগতি পৰ্যালোচনাৰ বাবে এক মন্ত্ৰীগোট গঠন কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে এই দুৰ্ঘটনাত গুৱাহাটীৰ কাহিলীপাৰাৰ পৰিমিতা দাস নিহত হোৱাত গভীৰ দুখ প্ৰকাশ কৰে। তেওঁ লগতে কয় যে পৰিমিতা দাসৰ পিতৃ-মাতৃক তেখেতে সাক্ষাৎ কৰিব আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা তেখেতসকললৈ প্ৰয়োজনীয় সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱা হ'ব।

আজিৰ এই পৰিদৰ্শনৰ সময়ত পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, শক্তিমন্ত্ৰী বিমল বৰা, সাংসদদ্বয় তপন গগৈ আৰু প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে হিতেন্দ্ৰ নাথ গোস্বামী, ভৱেন ভৰালী আৰু ৰেণুপমা ৰাজখোৱা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত উপস্থিত থাকে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল পৰিদৰ্শন কৰি নাও দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হোৱা লোকসকলৰ স্বাস্থ্যৰ বুজ লয়। তেওঁ চিকিৎসকলক উন্নত মানৰ চিকিৎসা প্ৰদান কৰিবলৈও নিৰ্দেশ দিয়ে।

নাও দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত দুৰ্ঘটনাত পতিত হোৱা যাত্ৰীসকলক উদ্ধাৰ কাৰ্য ক্ষিপ্ৰতাৰে চলাই বিৰল মানৱীয় দৃষ্টিভংগী আৰু অনন্য সাহস প্ৰদৰ্শন কৰা স্থানীয় লোকসকলৰ প্ৰতিও মুখ্যমন্ত্ৰীয়ে বিশেষভাৱে কৃতজ্ঞতা প্ৰকাশ কৰি ধন্যবাদ জ্ঞাপন কৰে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে আজি মাজুলীত উপস্থিত হৈ আছু, টি এম পি কে, এজেৱাইচিপি কে ধৰি অন্যান্য সংগঠনসমূহৰ প্ৰতিনিধিসমূহৰ সৈতে আলোচনা কৰি তেওঁলোকে উত্থাপন কৰা বিষয়সমূহৰ বুজ লয়। তেওঁ আশ্বাস প্ৰদান কৰি কয় যে যাত্ৰীৰ নিৰাপত্তা সুনিশ্চিত কৰা, কমলাবাৰী আৰু নিমাতীঘাটৰ মাজত ফেৰী সেৱা সুচলতৰভাৱে চলাচল সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিখন নাৱত কিমানজন যাত্ৰী যাব পাৰিব তাক নিৰ্দ্ধাৰিত কৰি দিয়াৰ লগতে এই ক্ষেত্ৰত কঠোৰ নিৰীক্ষণৰ ব্যৱস্থা কৰা হ'ব। যদি কোনো নাৱে নিৰ্দ্ধাৰিত সংখ্যাতকৈ অধিক যাত্ৰী কঢ়িয়াই আনে তেতিয়াহ'লে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও তেওঁ কয়।

আজিৰ এই বাৰ্তালাপৰ সময়ত পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, শক্তিমন্ত্ৰী বিমল বৰা উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**০৯-০৯-২০২১**